প্রথম গোট

তুলনামূলক ৰাজনীতিৰ পৰিচয় (Introduction to Comparative Politics)

তুলনামূলক ৰাজনীতিবোধ (Understanding Comparative Politics)

তুলনামূলক ৰাজনীতিৰ অর্থ (Meaning of Comparative Politics):

তুলনামূলক ৰাজনীতিৰ অধ্যয়নে সমসাময়িক ৰাজনীতি বিজ্ঞানৰ অধ্যয়নত এক অতি গুৰুত্বপূর্ণ স্থান লাভ কৰিছে। তুলনামূলক ৰাজনীতিয়ে বিভন্ন ৰাজনৈতিক ব্যৱস্থাবিলাকত বিদ্যামান হোৱা আচৰণ-অনুষ্ঠানসমূহ, প্রক্রিয়াসমূহ, আদর্শৰাজি আৰ প্রমুল্যৰাজিৰ ওপৰত এক-সূক্ষ্ম বিশ্লেষণ কৰি বাস্তৱসন্মত ব্যাখ্যাৰ আভাস দিয়ে, ই বিভিন্ন ৰাষ্ট্রসমূহৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰাজি, আৰ্হি আৰু নিয়মসমূহৰ সন্ধান কৰে, যিবিলাকৰ জৰিয়তে ৰাজনৈতিক ব্যৱস্থাসমূহৰ মৌলিক প্রকৃতি, কার্যপদ্ধতি আৰু বিশ্বাসৰাজি সম্পর্কে জনাত সহায় কৰে। তুলনামূলক ৰাজনীতিয়ে চৰকাৰ আৰু ইয়াৰ অংগসমূহৰ লগতে ৰাষ্ট্রীয় চৰকাৰৰ লগত প্রত্যক্ষভাৱে জড়িত নোহোৱা কেতবোৰ সংগঠনৰ ৰূপ (যেনে—জনজাতি, সম্প্রদায়, সংঘ, সস্থা আদি)ৰ বিষয়ে অধ্যয়ন কৰে। এই প্রসংগতে এইটো উল্লেখ কৰা সমীচীন হ'ব যে ঐতিহাসিক দৃষ্টৰ ফালৰ পৰা বিশ্লেষণ কৰি চালে যদিওৱা তুলনামূলক ৰাজনীতিৰ ইতিহাস বহু পুৰণি, তথাপি বিষয়বোৰৰ অধ্যয়নৰ পৰিসৰ দ্বিতীয় মহাসমৰৰ পাছৰ পৰাহে বৃদ্ধি পাবলৈ ধৰিলে কিয়নো দ্বিতীয় মহাসমৰৰ পূর্বে তুলনামূলক ৰাজনীতিৰ অধ্যয়ন ইউৰোপৰ মাথোঁ কেইখনমান উন্নত ৰাষ্ট্রৰ ৰাজনৈতিক ব্যৱস্থা আৰু ইবিলাকৰ কার্যাৱলীৰ অধ্যয়নতেই সীমাৱদ্ধ হৈ থকাৰ পৰিপ্রেক্ষিতত বিষয়টোৰ অধ্যয়নৰ পৰিসৰ নিচেই সংকীর্ণ আছিল; কিন্তু দ্বিতীয় মহাসমৰৰ পৰৱর্তী সময়ত এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ ৰাষ্ট্রবিলাক ঔপনিবেশিকতাবাদৰ কৱলৰ পৰা মুক্তি লাভ কৰাৰ লগে লগে তুলনামূলক ৰাজনীতিৰ অধ্যয়ন পশ্চিম ইউৰোপৰ ৰাষ্ট্রসমূহৰ পৰা এই স্বাধীনতা প্রাপ্ত ৰাষ্ট্রবিলাকলৈ সম্প্রসাৰিত হ'বলৈ ধৰিলে। এনেদৰে নতুনকৈ স্বাধীনতা লাভ কৰা ৰাষ্ট্রসমূহৰ ৰাজনৈতিক ব্যৱস্থাৰ অধ্যয়নে তুলনামূলক ৰাজনীতিৰ পৰিসৰ আৰু গতিশীলতাক এক নতুন মাত্রা প্রদান কৰিছে।

দ্বিতীয় মহাসমৰৰ আগলৈকে তুলনামূলক ৰাজনীতিৰ অধ্যয়ন চৰকাৰৰ তিনিটা প্রধান অংগ ক্রমে আইনসভা, কার্যপালিকা আৰু ন্যায়পালিকাৰ অধ্যয়নতেই সীমাৱদ্ধ আছিল। কিন্তু কালক্রমত ৰাষ্ট্র আৰু চৰকাৰৰ অধ্যয়নৰ উপৰি কেতবোৰ সংবিধান বহির্ভূত শক্তি, যেনে—ৰাজনৈতিক দল, প্রভাৱগোষ্ঠী, স্বার্থান্বেষী গোটবিলাকো তুলনামূলক ৰাজনীতি অধ্যয়নৰ এক নতুন আহিলাৰূপে পৰিগণিত হয়। মুঠৰ ওপৰত ক'বলৈ হ'লে ৰাষ্ট্রৰ চৰকাৰৰ গঠন প্রণালী ব্যক্তিৰ ৰাজনৈতিক আচৰণ, কার্য পদ্ধতিৰ বিশ্লেষণ কৰাৰ উপৰিও চৰকাৰৰ

লগত নিবিড়ভাৱে সম্পৰ্কিত কেতবোৰ সংবিধান বহির্ভূত কাৰকৰ সৈতে ৰাজনীতিৰ সম্পৰ্ক, কৰ্ম পদ্ধতিৰ বিশ্লেষণ, ৰাজনৈতিক আচৰণ আৰু সংবিধানিক সংগঠনৰ মাজত থকা চৰকাৰৰ সাদৃশ্য আৰু বৈসাদৃশ্যবাজি পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চোৱাটোৱেই হৈছে তুলনামূলক ৰাজনীতি।

মাইকেল কার্টিজ (Curtis)ৰ ভাষাত তুলনামূলক ৰাজনীতিয়ে ৰাজনৈতিক অনুষ্ঠান আৰু ৰাজনৈতিক আচৰণৰ কার্যৰ লগত জড়িত নিয়মানুৱর্তিতা, সাদৃশ্য আৰু বৈসাদৃশ্য সম্পর্কে অধ্যয়ন কৰে (*"Comparative Politics is concerned with significant regularities, similarities and differences in the working of Political instutions and in political behaviour)"* ।

জ্যা ব্লনডেল (Jean Blandel)ৰ মতে "তুলনামূলক চৰকাৰ হ'ল সমসাময়িক বিশ্বৰ ৰাষ্ট্ৰীয় চৰকাৰ পদ্ধতিৰ অধ্যয়ন" (*"Comparative Government can be defined as a study of patterns of National Government in the Contemporary World"*)।

ই. এ. ফ্রিমেন (E. A. Freeman)ৰ মতে, "তুলনামূলক ৰাজনীতি হৈছে বিভিন্ন ধৰণৰ চৰকাৰ আৰু ৰাজনৈতিক অনুষ্ঠান সমূহৰ তুলনামূলক বিশ্লেষণ" (*Comparative Politics is a Comparative analysis of the various form of Government and diverse Political Institutions*)।

এলান বল (Allan R Ball)ৰ মতে, ৰাজনীতি বিজ্ঞান অধ্যয়নত তুলনামূলক চৰকাৰ আৰু ৰাজনীতিয়ে বিষয়টোৰ ক্ষেত্রখনত পৰম্পৰাগত দৃষ্টিভংগী আৰু সমসাময়িক বিকাশৰ মাজৰ যোগসূত্র হিচাপে কাম কৰে। বর্তমানৰ তুলনামূলক চৰকাৰ আৰু ৰাজনীতিত ৰাষ্ট্র এখনৰ ৰাজনৈতিক সংগঠন সমূহৰ পৰিৱর্তে অনানুস্থানিক ৰাজনৈতিক প্রক্রিয়াৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

লাছওৱেল (Lasswell and Kaplan)ৰ মতে, তুলনামূলক ৰাজনীতি ৰাজনৈতিক ক্রিয়া কলাপৰ মান, মৌলিক ৱৈশিষ্ট্য আৰু বিশ্বাস তথা মূল্যবোধৰ লগত জড়িত।

তুলনামূলক ৰাজনীতিৰ অধ্যয়নক্ষেত্র ৰাষ্ট্র আৰু ইবিলাকৰ ৰাজনৈতিক ব্যৱস্থাসমূহৰ তুলনামূলক অধ্যয়নৰ লগত জড়িত। এনেদৰে চালে দেখা যায় যে তুলনামূলক ৰাজনীতিৰ অধ্যয়নত 'ৰাজনীতি' শব্দটিয়ে তিনি প্রকাৰৰ অর্থক সূচায়—(ক) ৰাজনৈতিক কার্যকলাপ, (খ) ৰাজনৈতিক প্রক্রিয়া আৰু (গ) ৰাজনৈতিক ক্ষমতা।

(ক) ৰাজনৈতিক কার্যকলাপ (Political Activity) ঃ ৰাজনৈতিক কার্যকলাপ সংঘর্ষ জর্জৰিত পৰিৱেশ সৃষ্টি কৰাৰ প্রয়াসৰ লগতে ক্ষমতা আহৰণৰ বাবে চলা সংগ্রামত অৱতীর্ণ হোৱা জনসাধাৰণৰ স্বার্থক জড়িত কৰি তাক মীমাংসাকৰণৰ সামূহিক প্রচেষ্টাৰ এক ৰূপ।

(খ) ৰাজনৈতিক প্রক্রিয়া (Political Process) ঃ ৰাজনৈতিক কার্যকলাপৰ পিছতেই হৈছে ৰাজনৈতিক প্রক্রিয়া। ই অধিক বিস্তৃত আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশ গ্রহণ কৰা সকলোবিলাকক সাঙুৰি লয়। সিদ্ধান্ত গ্রহণ প্রক্রিয়াত কেৱল ৰাষ্ট্রইহে অর্থাৎ চৰকাৰী আনুষ্ঠানিক সংস্থাবিলাকেহে যে অংশ গ্রহণ কৰে এনে নহয়, বৰং অন্যান্য অনা-আনুষ্ঠানিক চৰকাৰী সংস্থাবিলাকো জড়িত।

(গ) ৰাজনৈতিক ক্ষমতা (Political Power) ঃ ৰাজনৈতিক অধ্যয়নত ই এক মৌলিক অৱধাৰণা। ৰাজনৈতিক ক্ষমতাৰ ধাৰণাটো এতিয়াও প্রায় অস্পষ্ট অৱস্থাতেই আছে। এই প্রসংগতে কোৱাটো উচিত হ'ব

যে, ক্ষমতাৰ লগত কর্তৃত্বৰ অৱধাৰণাতো নিবিড়ভাৱে সম্পর্কিত । ই হৈছে শাসনৰ শাসন কৰাৰ অধিক স্বীকৃতি প্রদান। তুলনামূলক ৰাজনীতিৰ অধ্যয়নত ৰাজনীতি অভিধাটোৰ অভিজ্ঞতাবাদী থকা পৰিলক্ষিত হ ক্ষমতা আহৰণ আৰু ইয়াৰ ব্যৱহাৰৰ বিস্তৃত ব্যাখ্যা আৰু বিশ্লেষণৰ লগত ৰাজনীতি অভিধাটো জড়ি এনেদৰেই তুলনামূলক ৰাজনীতিৰ অধ্যয়নৰ ক্ষেত্রত ৰাজনৈতিক কার্যকলাপ, ৰাজনৈতিক প্রক্রিয়া আৰু ৰাজনৈ ক্ষমতা জড়িত থকা দেখিবলৈ পোৱা যায়।

তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতি (Comparative Government and Comparati Politics):

তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ অধ্যয়ন এই দুয়োটা এটা আনটোৰ লগত ঘনিষ্ঠভা সম্পর্কিত। বহুতো আধুনিক লেখকে তেওঁলোকৰ আলোচনাত তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতি মাজত ওতঃপ্রোত সম্পর্ক থকা বুলি দাবী কৰা পৰিলক্ষিত হয়। এই ক্ষেত্রত অধ্যাপক **হাৰমেন ফাইনা** (Herman Finer) ৰ নাম উল্লেখনীয়। **ফাইনাৰৰ** মতে চৰকাৰ অভিধাটোৱে চাৰি প্রকাৰৰ অর্থ প্রকাশ কৰে **প্রথমতে,** 'ই' শাসন পৰিচালনা কৰাৰ প্রক্রিয়াক সূচায়। **দ্বিতীয়তে,** "চৰকাৰ" এনে এক অৱস্থাক সূচায় য শাসন সম্পর্কীয় প্রক্রিয়া দেখিবলৈ পোৱা যায়। তেওঁৰ মতে, এনে এক সামাজিক অৱস্থাই শৃংখলাবদ্ধ সামাজিক জীৱনৰ চর্তাৱলীক সূচায়। **তৃতীয়তে,** "চৰকাৰ" অভিধাটোৱে শাসন কার্য পৰিচালনাৰ দায়িত্ব অর্প কৰা ব্যক্তি সমষ্টিক দিয়া কেতবোৰ নীতি-নির্দেশনাক বুজায়। **চতুর্থতে,** "চৰকাৰ" শব্দই এনে এক পদ্ধতি বা ব্যৱস্থাক বুজায় যাৰ জৰিয়তে এখন বিশেষ সমাজ পৰিচালিত হয়। গতিকে ফাইনাৰৰ মতে চৰকাৰ হৈ এনে এক সিদ্ধান্ত গ্রহণ কৰা ব্যৱস্থাপনা যাৰ জৰিয়তে সমাজত প্রচলিত প্রভাৱগোষ্ঠী বা স্বার্থান্বেষী গোটসমূহৰে ধৰি অন্যান্য গোষ্ঠী, গোট বা সংগঠনসমূহো প্রভাৱান্বিত হয়। তেওঁৰ মতে, ৰাজনীতি শব্দই চৰকাৰক নুসুচায় । আনকি কোনো ধৰণৰ ভৌগোলিক সংগঠনৰ ৰাজনীতিৰ মাজতেই কেন্দ্রীভূত নহয়। আন কথাত ক'ব পা যে ফাইনাৰে চৰকাৰ আৰু ৰাজনীতি এই দুয়োটা অভিধাকে কিছু বিস্তৃতভাৱে আলোচনা কৰাৰ প্রয়াস ক পৰিলক্ষিত হৈছে।

এলান বল. ই. এ. ফ্রিমেন আৰু **ব্লনডেল** প্রভৃতি লেখকসকলেও তুলনামূলক চৰকাৰ আৰু তুলনামূল ৰাজনীতিৰ মাজত থকা সম্পর্ক নিজস্ব ধৰণে বিশ্লেষণ কৰি দেখুৱাইছে। এইচাম লেখকে ৰাষ্ট্রৰ ৰাজনৈতিক অনুষ্ঠানসমূহৰ পৰিৱর্তে অনানুষ্ঠানিক ৰাজনৈতিক প্রক্রিয়াৰ অধ্যয়নৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছে ফ্রিমেনৰ মতে, "তুলনামূলক ৰাজনীতি বিভিন্ন চৰকাৰসমূহ আৰু বিভিন্ন বৈসাদৃশ্যমূলক ৰাজনৈতিক অনুষ্ঠানসমূহ তুলনামূলক বিশ্লেষণৰ বাহিৰে আন একো নহয়।" অনুৰূপ ধৰণে **ব্লনডেল** (Blondel)ৰ মতে, 'তুলনামূলক চৰকাৰ হ'ল সমসাময়িক বিশ্বৰ ৰাষ্ট্রীয় চৰকাৰ পদ্ধতিৰ আর্হিৰ অধ্যয়ন।" এলান বলে চৰকাৰ আৰু ৰাজনীতি— এই দুয়োটাৰ মাজত সম্পর্ক ৰক্ষা কৰাৰ প্রচেষ্টা চলাইছিল। বর্তমান সময়তো ৰাষ্ট্রবিলাকৰ ৰাজনৈতিক অনুষ্ঠানসমূহৰ তুলনাত অনৌপচাৰিক ৰাজনৈতিক প্রক্রিয়াসমূহৰ ওপৰত অধিকভাৱে গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে এনে অৱস্থাৰ পৰিপ্রেক্ষিততেই অধ্যাপক **ফ্রিমেন** আৰু **ব্লনডেলে** ওপৰোক্ত উক্ত মন্তব্য দুটি আগবঢ়াইছে।

আন এচাম চিন্তাবিদে তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতি এই দুয়োটা অভিধামতে প্রভেদ নিৰূপণ কৰিছে। তেওঁলোকে তুলনামূলক চৰকাৰৰ অধ্যয়নৰ পৰিসৰ তুলনামূলক ৰাজনীতিৰ অধ্যয়নৰ পৰিসৰৰ

তুলনাত অধিক সংকীর্ণ বুলি অভিমত দিছে। তুলনামূলক চৰকাৰৰ অধ্যয়নে বিভিন্ন ৰাজনৈতিক ব্যৱস্থা আৰু ইয়াৰ অন্তর্ভুক্ত সকলোবিলাক বিষয়ৰ উপৰি অৰাষ্ট্রীয় ৰাজনীতিৰ বিষয়েও অধ্যয়ন কৰা হয়। সেই দৃষ্টিকোণৰ পৰা তুলনামূলক ৰাজনীতিৰ অধ্যয়নৰ পৰিসৰ অতি বিস্তৃত। ৰাজনৈতিক অনুষ্ঠান (তুলনামূলক চৰকাৰ অধ্যয়নৰ পৰিসৰৰ অতি বিস্তৃতি। ৰাজনৈতিক অনুষ্ঠান (তুলনামূলক চৰকাৰ অধ্যয়নৰ পৰিসৰৰ অন্তর্ভুক্ত বিষয়) সমূহৰ উপৰি অৰাজনৈতিক অনুষ্ঠানবিলাক, যেনে—প্রভাৰ গোষ্ঠী, বাণিজ্য সংস্থা, স্বার্থান্বেষী গোট আদিকো সামৰি লয়। গতিকে তুলনামূলক ৰাজনীতিৰ ছাত্র এজনে কোনো এক ৰাজনৈতিক পদ্ধতিৰ আইন প্রণয়ন, আইন কার্যকৰীকৰণ, আইনৰ বৈধতা বিচাৰকৰণ নতুৱা ৰাজনৈতিক অনুষ্ঠানবিলাকৰ বর্ণনামূলক বিশ্লেষণতে আবদ্ধ হৈ নাথাকে, বৰং বিভিন্ন ৰাজনৈতিক পদ্ধতিৰ কার্যগত আৰু কাঠামোৰ অধ্যয়নৰ ওপৰতহে আধুনিক তুলনামূলক ৰাজনীতি অধ্যয়নৰ ছাত্র এজনে অধিকভাৱে মনোনিৱেশ কৰে।

অধ্যাপক ব্লনডেলে তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ মাজত এক স্পষ্ট প্রভেদ নির্ণয় কৰিব বিচাৰিছে। এই প্রসংগত ব্লনডেলে কৈছে যে তুলনামূলক চৰকাৰৰ দুটা প্রধান দিশ আছে—সমান্তৰাল (Horizontal) আৰু পোনপটীয়া (Vertical) । যদিহে এই দুয়োটা দিশক বিবেচনা কৰা হয় তেন্তে সমান্তৰাল আৰু পোনপটীয়া এই দুয়োটা অভিধাকেই তুলনামূলক ৰাজনীতিৰ লগত পৰিচয় কৰাব পাৰি। **ব্লনডেলৰ** মতে তুলনামূলক ৰাজনীতিৰ অধ্যয়নত পোনপটীয়া তুলনাই ৰাষ্ট্রই তুলনামূলক অধ্যয়নৰ উপৰি ৰাজনৈতিক প্রক্রিয়াত সংযুক্ত আন আনুষংগিক সংগঠন আৰু গোষ্ঠীবিলাকৰ অধ্যয়নকো সাঙুৰি লয়। এনে তুলনামূলক অধ্যয়নে ৰাজনৈতিক পদ্ধতিৰ প্রক্রিয়াত বিভিন্ন জনগোষ্ঠীসমূহে পেলোৱা প্রভাৱ সম্পর্কেও সামৰি লয়। অন্যহাতে সমান্তৰাল তুলনা হ'ল ৰাষ্ট্রৰ আৰু ৰাষ্ট্রীয় চৰকাৰসমূহৰ এক তুলনামূলক অধ্যয়ন। এই ক্ষেত্রত **ব্লনডেলৰ** মন্তব্য হ'ল যে—তুলনাৰ এই সমান্তৰাল আৰু পোনপটীয়া দিশ দুটাক অধ্যয়নৰ ক্ষেত্রত গুৰুত্বপূর্ণ বুলি গণ্য কৰিলে তুলনামূলক চৰকাৰে তুলনামূলক ৰাজনীতিৰ ৰূপ ধাৰণ কৰে আৰু এনে পৰিপ্রেক্ষিততেই তেওঁ তুলনামূলক চৰকাৰক সমসাময়িক বিশ্বৰ ৰাষ্ট্রীয় চৰকাৰৰ পদ্ধতিৰ অধ্যয়ন বুলি অভিহিত কৰিছে।

এড�ৱার্ড ফ্রিমেনে তুলামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ মাজত এক স্পষ্ট প্রভেদ নির্ণয় কৰিব বিচাৰিছে। তেওঁৰ মতে, তুলনামূলক চৰকাৰে ৰাজনৈতিক অনুষ্ঠান আৰু বিভিন্ন ধৰণৰ চৰকাৰৰ তুলনামূলক অধ্যয়নক বুজায়। আনহাতে তুলনামূলক ৰাজনীতিৰ আলোচনাত কোনো এক ৰাজনৈতিক ব্যৱস্থাৰ গাঁথনিগত আৰু কার্যগত (Structural and Functional) বিশ্লেষণৰ জৰিয়তে ৰাজনৈতিক ব্যৱস্থাৰ সফলতা আৰু বিফলতা নিৰূপণ কৰা হয়। তুলামূলক ৰাজনীতি যদিওৱা ৰাজনৈতিক অনুষ্ঠান আৰু মানৱ আচৰণৰ নিয়মানুৱর্তিতাৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ অধ্যয়নৰ লগত জড়িত, তথাপিতো তুলনামূলক আলোচনা কৰোঁতে যাতে গোটেই **বিষয়টো অত্যধিক** সৰলীকৰণ হৈ নপৰে তাৰ প্রতি যথোচিত গুৰুত্ব প্রদান কৰিব লাগে। এই প্রসংগত ডেভিদ **এপ্টাৰ আৰু ইকষ্টেইন**য়ে এনেদৰে মন্তব্য দিছে যে তুলনামূলক ৰাজনীতিৰ বহল ধাৰণাই ৰাজনীতি বিজ্ঞানকো **ইয়াৰ অধ্যয়ন ক্ষেত্রৰ** ভিতৰত সামৰি লয়।

তুলামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ মাজৰ প্রভেদ সম্পর্কত ৰনাল্ড চিলকটয়ে মন্তব্য আগবঢ়াইছে **এনেদৰে—তুলনামূলক** চৰকাৰে সাধাৰণতে ইউৰোপ জাতীয় ৰাষ্ট্রসমূহৰ অধ্যয়নক সূচায় আৰু এনে অধ্যয়নত **সেই ৰাষ্ট্রসমূহৰ আইন** সভা, কার্যপালিকা আৰু বিচাৰ বিভাগৰ লগতে ৰাজনৈতিক দল আৰু প্রভাৱগোষ্ঠীসমূহৰ **দৰে পৰিপূৰক সংগঠন**সমূহৰ সংগঠন আৰু কার্যকলাপৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ বিপৰীতে **তুলনামূলক ৰাজনীতিৰ** অধ্যয়নে চৰকাৰ আৰু ইয়াৰ সংগঠনসমূহৰ লগতে ৰাষ্ট্রীয় চৰকাৰক প্রত্যক্ষ বা পৰোক্ষভাৱে

জড়িত অন্যান্য সংগঠনসমূহৰ লগত (যেনে—জনজাতীয় সম্প্রদায়, সংস্থা, ইউনিয়ন ইত্যাদি) সাঙুৰি এক বিস্তৃত ৰাজনৈতিক কার্য-কলাপক ইয়াৰ পৰিসৰৰ ভিতৰত সামৰি লয়। এলান বলৰ মতে তুলনামূলক চৰকাৰ আৰু ৰাজনীতিয়ে ৰাজনীতি বিজ্ঞানৰ পৰম্পৰাগত দৃষ্টিভংগীসমূহ আৰু ৰাজনীতি বিজ্ঞানৰ সমসাময়িক বিকাশৰ মাজত সমন্বয় স্থাপন কৰিব লাগে। যি কি নহওক, সমসাময়িক সময়ৰ লেখক তথা গৱেষকসকলে তুলনামূলক ৰাজনীতি অভিধাটোৰ ব্যৱহাৰ অর্থপূর্ণ বুলি ভাবে। কিয়নো ইয়াৰ অধ্যয়নৰ পৰিসৰ তুলনামূলক চৰকাৰতকৈ অধিক বিস্তৃত। কেতবোৰ লেখক, যেনে—এডৱার্ড ফ্রিমেন, জন ব্লনডেল আদিয়ে তুলনামূলক চৰকাৰ আৰু তুলনামূলক অধ্যয়নক্ষেত্ৰ সুকীয়া সুকীয়া যদিও দুয়োটাৰে ৰাজনীতিৰ মাজত এক যোগসূত্ৰ স্থাপন কৰিব বিচাৰিছে। সংক্ষেপতে তুলনামূলক চৰকাৰ আৰু তুলনামূলক ৰাজনীতিৰ মাজৰ প্রভেদ সমূহ হৈছে নিম্নোক্ত ধৰণৰ—

(১) তুলনামূলক চৰকাৰৰ অধ্যয়নক্ষেত্ৰ ৰাষ্ট্রকেন্দ্রিক। ইয়াত চৰকাৰৰ বিভিন্ন বিভাগৰ গঠন, সমাজ, কার্যাৱলী আদি বিলাকৰ তুলনামূলক অধ্যয়ন কৰে। আনহাতে তুলনামূলক ৰাজনীতি কেৱল চৰকাৰী অনুষ্ঠানসমূহৰ লগতেই জড়িত নহয়। ইয়াত ৰাষ্ট্রৰ কার্যত প্রভাৱ পেলোৱা সকলো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংস্থা যেনে—ৰাজনৈতিক দল, প্রভাৱগোষ্ঠী, শ্রমিক সংঘ বা অন্যান্য বেচৰকাৰী অনুষ্ঠান তথা ক্লাৱসমূহকো জড়িত কৰি তুলনামূলক আলোচনা কৰা হয়।

(২) তুলনামূলক ৰাজনীতিৰ অধ্যয়ন পদ্ধতি তুলনামূলক চৰকাৰতকৈ অধিক বাস্তৱমুখী আৰু বিজ্ঞানসম্মত। তুলনামূলক ৰাজনীতিয়ে গোটেই সমাজখনক অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰে।

(৩) তুলনামূলক চৰকাৰ অধ্যয়ন কৰোঁতে ঐতিহাসিক পদ্ধতি অনুসৰণ কৰা দেখা যায়। কিন্তু তুলনামূলক ৰাজনীতি অধ্যয়নৰ কাৰণে বিজ্ঞানসম্মত তথা বিশ্লেষণাত্মক পদ্ধতিক অনুসৰণ কৰা হয়।

(৪) তুলনামূলক চৰকাৰৰ অধ্যয়ন সাধাৰণতে সাংবিধানিক চৰকাৰৰ লগত জড়িত। কিন্তু তুলনামূলক ৰাজনীতিয়ে ইয়াৰ বাহিৰতো অধ্যয়ন কৰিবলৈ প্রয়াস কৰে।

(৫) পৰিসৰৰ ফালৰ পৰা দুয়োটা অধ্যয়নৰ মাজত প্রভেদ দেখা যায়। তুলনামূলক চৰকাৰৰ পৰিসৰ ঠেক, কাৰণ ই কেৱল চৰকাৰী কার্যকলাপবোৰৰ লগতে জড়িত হৈ থাকে। আনহাতে তুলনামূলক ৰাজনীতিৰ পৰিসৰ বিস্তৃত। ইয়াত চৰকাৰী, বেচৰকাৰী সকলো প্রতিষ্ঠানৰ বিষয়ে অধ্যয়ন কৰে।

(৬) তুলনামূলক চৰকাৰৰ তুলনাত ৰাজনীতিয়ে ইয়াৰ অধ্যয়নক্ষেত্রত নতুন নতুন পদ্ধতি উদ্ভাৱনৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। তেওঁলোক মূল্যবোধ তথা আদর্শৰ বিপৰীতে আলোচনা আৰু গৱেষণাৰ জৰিয়তে ৰাজনৈতিক অধ্যয়নক অগ্রাধিকাৰ দিব বিচাৰে।

(৭) তুলনামূলক চৰকাৰ অধ্যয়নৰ পৰিসৰ আমেৰিকা বা পশ্চিম ইউৰোপৰ কেইখনমান গণতান্ত্রিক দেশৰ ৰাজনৈতিক পদ্ধতিৰ মাজতে সীমাৱদ্ধ। কিন্তু তুলনামূলক ৰাজনীতিৰ অধ্যয়নে এছিয়া, আফ্রিকা, দক্ষিণ আমেৰিকাৰ উন্নয়নশীল ৰাষ্ট্রসমূহকো সাঙুৰি অধ্যয়নৰ বিষয় হিচাপে বাছি ল'লে। ইয়াৰ উপৰি তুলনামূলক ৰাজনীতিয়ে সমাজবাদী আদর্শ, সাম্যবাদী আদর্শ গ্রহণ কৰা ৰাজনৈতিক পদ্ধতিসমূহ অধ্যয়ন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।